নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত • যোৰহাট সংস্কৰণ মুঠ পৃষ্ঠা ১২

...১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ ত্ৰয়োদশ বছৰ সংখ্যা ৩১৫ দেওবাৰ ১২ আহিন ১৯৪৬ শক ২৯ ছেপ্টেম্বৰ ২০২৪ চন ASOMIYA KHABAR JORHAT SUNDAY

## ...স পালন

...সভাপতি স্বপন নাথে আঁতধৰা আলোচনা-চক্ৰত অৱসৰপ্ৰাপ্ত পৰ্যটন বিষয়া তৰুণ গগৈ, পৰ্যটন ব্যৱসায়ী তুলসী বৰদলৈ, বিমল শৰ্মা, আৰণ্যকৰ প্ৰকল্প সমন্বয়ক আৰিফ হুছেইন, সমাজকৰ্মী হৰিৰাম ইংতি, মহিলা পৰ্যটন উদ্যোগী মইনা ক্ৰামচাপি আদিৰ লগতে কাজিৰঙাৰ দাঁতি-কাষৰীয়া থলুৱা পৰ্যটন ব্যৱসায়ীৰ প্ৰতিনিধি একাংশ উপস্থিত থাকে। এই আলোচনা-চক্ৰত মঞ্চৰ কাৰ্যকৰী সভাপতি ধ্ৰুৱজ্যোতি সাহা, উপ-সভাপতি বিতোপন মাঝি, ইমৰান আলী, যুটীয়া সম্পাদক কিষাণ ছেত্ৰী, হোমেন গগৈৰ লগতে শৈলেন দাস, ৰাজু হুছেইন আদি উপস্থিত থাকে। আলোচনা-চক্ৰত আগন্তুক পৰ্যটন বৰ্যত...

## ডিএইছএছ কানৈ কলেজত 'কথা, কবিতা আৰু নৃত্য-গীতৰ এঙামুৰি' শীৰ্ষক অনুষ্ঠান সম্পন্ন

**ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৮ ছেপ্টেম্বৰ ঃ** ঐতিহ্যমণ্ডিত ডি এইছ এছ কানৈ মহাবিদ্যালয়ত ২৬ ছেপ্টেম্বৰত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগৰ উদ্যোগত 'কথা, কবিতা আৰু নৃত্য-গীতৰ এঙামুৰি' শীৰ্ষক মননশীল অনুষ্ঠান অনুষ্ঠিত হয়। ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনীৰ সম্পাদক নয়নজ্যোতি কুৰ্মীয়ে আঁতধৰা অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে কয়—কলা-সাহিত্যৰ চৰ্চাই এখন সমাজ সুন্দৰ কৰে। এখন সমাজ সুষ্ঠ কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত সাহিত্য-সংস্কৃতিৰ চৰ্চা অধিক হোৱাটো প্ৰয়োজন বুলি তেওঁ মত প্ৰকাশ কৰি কয়—ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতি সপ্তাহত এনে সাহিত্য-চৰ্চাৰ কাৰ্যসূচী অনুষ্ঠিত কৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যৰ দিশত প্ৰতিভা বিকাশত সহায়ক হ'ব। অনুষ্ঠানত শৈক্ষিক সমন্বয়ক ড° মৃদুল শৰ্মাই ৰাভা সংগীত পৰিৱেশনৰে ছাত্ৰ-ছাত্ৰীসকলক আপ্লুত কৰে। ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড° জ্যোতি প্ৰসাদ ফুকনে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত কবিতা পাঠ কৰে ক্ৰমে চিন্ময় কলিতা, পাৰ্থ বৰা, অনুশ্ৰী বৰপাত্ৰগোহাঁই, চয়নিকা বুঢ়াগোহাঁই, কৰিণা বৰুৱা, বিতুপন চবৰ, পৰিস্মিতা দত্তৰ উপৰি ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে। গীত পৰিৱেশন কৰে অংশুমান সভাপণ্ডিত কাশ্যপ, উৎপল কুৰ্মী, বেদব্যাস বড়ি, চৌমিন হাজৰিকা, স্বপ্ননীল ফুকন, কাবেৰী ফুকন, প্ৰণামী শ্বাবহ, ভাৰ্চি গগৈ, আইছেংফা কোঁৱৰৰ লগতে বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে বাঁহী বাদন কৰে স্নেহময় ফুকনে। নীলা খামৰ চিঠি পাঠ কৰে ভাগ্যশ্ৰী বৰুৱাই।